# ডাইনী বিশ্বাস আৰু ডাইনী হত্যা ঃ চৰকাৰ, শিক্ষানুষ্ঠান, সামাজিক সংস্থা আৰু কলা সংস্কৃতিৰ ভূমিকা

**অতুল চন্দ্ৰ দাস**
**ড° অনিমা বৈশ্য**
**ড° মনালিছা বৰা**

**১.০০ প্ৰস্তাৱনা ঃ-**

**মানুহৰ** সভ্যতাৰ ইতিহাস বিশ্লেষণ কৰিলে দেখা যায় যে যাদুবিদ্যা বা ঐন্দ্ৰজালিক বিশ্বাসে অতি প্ৰাচীন কালৰে পৰা মানুহৰ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ভাৰতীয় সমাজ জীৱনত এই যাদুবিদ্যাৰ প্ৰভাৱ আৰু সুদূৰ প্ৰসাৰী। অৱশ্যে ভাৰতত উপনিবেশিক শাসনৰ লগে লগে ঐন্দ্ৰজালিক বিশ্বাসে এক নতুন ৰূপ লাভ কৰে বুলি Anthropological Survey of India ৰ ভূতপূৰ্ব সঞ্চালক প্ৰধান কে. এছ. সিং-এ (K. S. Singh) মন্তব্য দিছে ঃ 'the advent of witchcraft in India probably coincided with the arrival of colonial rullers. The local people had a larger view of shamanism (the world of good and evil spirits), but with European influence in began to get identified with black magic, white magic and witchcraft' কোৱা বাহুল্য যে ডাইনী বিশ্বাস যাদুবিদ্যাৰ উদ্ভৱৰ সমসাময়িক।

**২.০০ অধ্যয়নৰ পৰিসীমা ঃ-**

প্ৰায় পৃথিৱী জুৰি পৰিব্যাপ্ত ডাইনী বিশ্বাস সম্পৰ্কে বিভিন্ন দৃষ্টিকোণেৰে বিভিন্ন আলোচনা হৈছে। ডাইনী বিশ্বাসৰ সমগ্ৰ দিশ এই আলোচনা পত্ৰত

প্ৰবিষ্ট কৰা অৱকাস নাই, এই পত্ৰত ডাইনী বিশ্বাস প্ৰশমনৰ বাবে চৰকাৰী পক্ষ, শিক্ষানুষ্ঠান, সামাজিক সংস্থা, কলা-পৰিবেশ কলাৰ সম্ভাৱনাপূৰ্ণ কৰণীয় সম্পৰ্কে হে আলোচনা সামৰি লোৱাৰ প্ৰয়াস কৰা হৈছে আৰু এই আলোচনা মূলতঃ অসমৰ প্ৰসংগতহে কৰা হৈছে।

**৩.০০ সমল ঃ-**

এই আলোচনাৰ বাবে মূলতঃ চাৰিটা ক্ষেত্ৰৰ পৰা সমল আহৰণ কৰা হৈছে ঃ-

ক) 'মিছন বীৰুবালা'ৰ সঞ্চালিকা শ্ৰীমতী বীৰুবালা ৰাভা আৰু বিষয়ববীয়াসকলৰ সৈতে হোৱা সৌহাদ্যপূৰ্ণ আলোচনা।

খ) আলোচনী বাতৰি কাকত আদিত প্ৰকাশিত প্ৰবন্ধ আৰু বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত আলোচনা আদি।

গ) ইণ্টাৰনেটত প্ৰকাশিত প্ৰবন্ধ আৰু

ঘ) স্বকীয় অনুভৱ।

**৪.০০ পদ্ধতি ঃ-**

আলোচ্য বিষয়টিক সমালোচনামূলক, তুলনামূলক আদি বেলেগ বেলেগ পদ্ধতিৰে আলোচনা কৰাৰ অৱকাস আছে যদিও ইয়াত বৰ্ণনাত্মক পদ্ধতিহে গ্ৰহণ কৰা হৈছে।

**৫.০০ ডাইনী কি ? ঃ-**

'ডাইনী' শব্দটিৰ অভিধানিক অৰ্থ হ'ল নাৰী ভূত। বাংলা ভাষাচাৰ্য সুকুমাৰ সেনে কৈছে যে নাৰী ভূতৰ নাম হ'ল প্ৰেতনী। এই প্ৰেতনীৰ প্ৰসংগতে ডাইনীৰ কথা আহিছে। ডাইনীৰ মাজত মানুহ আছে, গন্ধৰ্ব আছে, দেৱী আছে আৰু প্ৰেতনী আছে। 'ডাইনী' শব্দটো 'ডাকিনী' শব্দৰ পৰা আহিছে। বংগীয় শব্দকোষৰ ব্যাখ্যা অনুসৰি ডাকিনী হৈছে কালীৰ গণবিশেষ লগতে কোৱা হৈছে যে উপদ্ৰৱকাৰিণী নাৰীয়েই হ'ল ডাকিনী।

ডাইনী বা ডাকিনী বুজাবলৈ ইংৰাজী ভাষাত ব্যৱহৃৎ শব্দটো হৈছে 'উইচ (Witch)'। 'উইচ' শব্দটোৰ অৰ্থ Encarta Dictionary ত এনেদৰে দিয়া হৈছে ঃ'With magic power, especially a woman, who is

supposed to have magical or wonder working powers that are most often used malevolenthy.' শব্দৰ পৰা অহা বুলি ধাৰণা কৰা হয় কিন্তু ডাইনী বিশেষজ্ঞ কুমাৰী মাৰ্গাৰেট মাৰেৰ মতে — 'উইচ শব্দটো 'উইট (Wit)' শব্দৰ পৰাহে আহিছে। উইট শব্দটোৰ অৰ্থ হ'ল 'জনা (To know)', অৰ্থাৎ ডাইনীসকলে বহুত কথা আগতীয়াকৈ জানিব পাৰে, ভৱিষ্যতবাণী কৰিব পাৰে। ৰোমান কে. হোমাৰৰ মতে — 'যিবোৰ নাৰীয়ে দুষ্ট শক্তিৰ ওচৰত নিজৰ আত্মা বিক্ৰী কৰে, সিহঁতেই ডাইনী।'

অসমৰ প্ৰসংগত সাধাৰণতে দেখা যায় যে পিছপৰা গাঁও অঞ্চলত, বিশেষকৈ জনজাতি প্ৰধান এলেকাত কাৰোবাৰ কোনো নৰিয়া হ'লে নিদান বিচাৰি কোনো স্থানীয় কবিৰাজ, ওজা বা বেজৰ ওচৰ চপা হয়। কবিৰাজে ঐন্দ্ৰজালিক ব্যৱস্থাৰে জৰা-ফুকা কৰি ৰোগীৰ বেমাৰ ভাল কৰিবলৈ চেষ্টা কৰি যেতিয়া বিফল হয় তেতিয়া তেওঁ ৰোগীৰ গাত আন কু-প্ৰবৃত্তিৰ মানুহৰ নজৰ পৰিছে, কোনোবাই বীৰা লগাইছে, ঔষধ পুতিছে বা সৰহ ক্ষেত্ৰত ডাইনী লম্ভিছে বুলি অপপ্ৰচাৰ চলায়। কবিৰাজৰ অপপ্ৰচাৰত ভোল গৈ মানুহে কোনো নাৰীক ডাইনী বুলি সন্দেহ কৰে আৰু সেই নাৰী গৰাকীক সামাজিকভাৱে অবৰ্ণনীয় অত্যাচাৰ চলায় বা প্ৰায়ে হত্যা কৰা হয়। ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যতে বিশেষকৈ বিহাৰ, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা, ঝাৰখণ্ড, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চুকে-কোণে ডাইনীৰ বিশ্বাস এই একবিংশ শতিকাতো প্ৰবল।

**৬.০০ ডাইনী বিশ্বাসৰ কাৰণ ঃ-**

ডাইনী বিশ্বাসৰ কাৰণ থাওকতে কোৱা টান। বিভিন্ন ঠাইত বিভিন্ন কাৰণত ডাইনী বিশ্বাসৰ ধাৰণাই গঢ় লৈছে। এইবোৰৰ কেইটামান কাৰণ হ'ল —

ক) অন্ধবিশ্বাস। বেছিভাগ ক্ষেত্ৰত অন্ধবিশ্বাসেই ডাইনী ধাৰণাৰ প্ৰধান কাৰণ।
খ) শৈক্ষিক অনগ্ৰসৰতা।
গ) অৰ্থনৈতিক দুৰাৱস্থা।
ঘ) ৰাজনৈতিক চতুৰালী।
ঙ) মনস্তাত্ত্বিক।
চ) লিংগ বৈষম্য।
ছ) অসূচল যাতায়ত ব্যৱস্থা।

**৭.০০ ডাইনী আছেনে ঃ-**

ডাইনী সঁচাই আছেনে? আমাৰ দ্বিধাহীন উত্তৰ হ'ল ডাইনী নাই। ডাইনী সন্দেহৰ ভুক্তভোগী উৰিষ্যাৰ সুন্দৰ গড় জিলাৰ কলনী এটাৰ নাৰী ৰাণী বিৰুৱাই (ব্যথিত কণ্ঠে সাংবাদিকক কৈছিল, 'Do we look like witches? We are tortured for no fault of ours. We know nothing about witchcraft'

প্ৰকৃততে ডাইনী পুৰুষতান্ত্ৰিক সমাজৰ সৃষ্টি। মানুহৰ দৰিদ্ৰতা আৰু অশিক্ষাৰ সুযোগ লৈ পুৰুষতান্ত্ৰিক সমাজৰ স্বয়ম্ভু ধ্বজাবাহী সকলে যুগে যুগে মানুহৰ ওপৰত আৰোপ কৰি আহিছে নানা ধৰণৰ অযৌক্তিক বাধা নিষেধ আৰু অন্ধবিশ্বাসৰ গধুৰ বোজা। সামন্তবাদী যুগত বা আজিও সামন্তবাদী ধ্যান ধাৰণাৰ সমাজ ব্যৱস্থাত এনে অন্ধবিশ্বাসৰ বোজা বৈ বৈ মানুহ হৈ পৰিছে আত্মবিশ্বাসহীন আৰু কুসংস্কাৰাচ্ছন্ন। সামন্তবাদী চিন্তা চেতনাৰ দালালে নিজৰ মুনাফাৰ বাবেই সমাজত ডাইনী, যক্ষিণী, পিশাচ-পিশাচিনী, বীৰা আদি অপশক্তি/অপদেৱতাৰ সৃষ্টি কৰি এই উচ্চ প্ৰযুক্তিৰ যুগতো (Hitech era) নিজৰ শাসন শোষণৰ বাট মুকলি কৰি আছে। সেই কাৰণে বেছিভাগ ক্ষেত্ৰতে ডাইনী সজোৱা হয় নাৰীক — তাকো দাৰিদ্ৰত পোত গৈ থকা নাৰীক। ডাইনী বিচাৰি উলিওৱা হয় অশিক্ষিত অৰ্ধশিক্ষিত লোকৰ পৰম্পৰাগত সমাজ ব্যৱস্থাৰ আওঁতাত থকা অতি পিছপৰা গাঁৱত। যদি ডাইনী আছে, তেন্তে সম্ভ্ৰান্ত পৰিয়ালৰ শিক্ষিতা নাৰীক ডাইনী আখ্যা দিয়াৰ সাহস হ'বনে?

**৮.০০ সজাগতা আনিব পৰা আহিলাবোৰ ঃ-**

ডাইনী বিশ্বাস আৰু তৎজনিত নিগ্ৰহৰ ঘটনা অতীজতো ঘটিছিল, আজিও ঘটি আছে আৰু অনাগত দিনতো যে নঘটিব তাক ন দি কব নোৱাৰি। সেয়ে ডাইনী যে নাই, ই এটা ভুৱা বিশ্বাস, এই সম্পৰ্কে ভূক্তভোগী সমাজত কেনেদৰে সজাগতা আনিব পাৰি তাৰে আহিলা চিনাক্ত কৰি কাৰ্যক্ষম কৰিব লাগে। এই প্ৰসংগতে আমাৰ আলোচনা পত্ৰত তলত উল্লেখ কৰা দিশ/আহিলাবোৰ ওপৰত আলোকপাত কৰা হ'ল।

**৮.০১ চৰকাৰৰ আহিলা ঃ-**

ক) **আইন প্ৰণয়ন ঃ-** ডাইনী হত্যা প্ৰতিৰোধ কৰিবৰ কাৰণে চৰকাৰে এখন আইন প্ৰণয়ন কৰিব লাগে আৰু তাক কঠোৰ হাতেৰে বলবৎ কৰিব লাগে।

**খ)** ডাইনী সন্দেহ আৰু ডাইনী হত্যাৰ দৰে ঘটনাৰ বাবে আমাৰ শিক্ষা পদ্ধতিও বহু পৰিমাণে দায়ী। ইউৰোপীয় সমাজ ব্যৱস্থাৰ পৰা ডাইনী সন্দেহ আঁতৰ কৰাত সেই দেশৰ শিক্ষা ব্যৱস্থাৰ প্ৰভুত অৰিহণা আছে। ভাৰতত কিন্তু কোনো এটা শিক্ষা ব্যৱস্থা সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰ কৰাত বিশেষ বৰঙণি আগবঢ়াইছে বুলিব নোৱাৰি। গতিকে সমাজৰ মানুহৰ প্ৰকৃত বিজ্ঞান মনস্কতা গঢ়িবলৈ এটা সম্পূৰ্ণ বিজ্ঞানসন্মত শিক্ষা পদ্ধতি প্ৰৱৰ্তন কৰিব লাগে। ভুক্তভোগী ৰাজ্যসমূহৰ পাঠ্যক্ৰমত +২ পৰ্যায়লৈ ডাইনী বিষয়ক সচেতনা সৃষ্টি কৰা নাই (Lesson) বাধ্যতামূলক কৰিব লাগে।

**গ)** ভূক্তভোগী ৰাজ্যসমূহত অতি পিছপৰা অঞ্চললৈও স্বাস্থ্য সেৱা প্ৰকৃতাৰ্থত সুলভ কৰিব লাগে। লগতে অনাময় ব্যৱস্থা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া বেমাৰ-আজাৰ কম হ'ব লগতে জনস্বাস্থ্য সচেতনাও বৃদ্ধি পাব।

**ঘ)** ডাইনী সন্দেহৰ ভূক্তভোগী ৰাজ্যসমূহৰ অতি দুৰ্গম অঞ্চললৈ যাতায়ত ব্যৱস্থা, যোগাযোগ ব্যৱস্থা আৰু বিজুলী যোগান ব্যৱস্থা সূচল আৰু সুলভ কৰিব লাগে।

### ৮.০২ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা ঃ-

ডাইনী সন্দেহ বা ডাইনী হত্যা প্ৰশাসনৰ ক্ষেত্ৰত স্থানীয় শিক্ষানুষ্ঠানসমূহৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিক্ষানুষ্ঠানসমূহ অকল ছাত্ৰ গঢ়াৰে কমাৰশালা নহয়, সমাজ গঢ়াৰো পাঠশালা। শিক্ষানুষ্ঠানসমূহৰ বিভিন্ন অনুষ্ঠান, অভিভাৱকৰ সভা, মাতৃগোটৰ সভা, জ্ঞানদ্বয়িনী সভা আদিৰ জৰিয়তে এনে অন্ধবিশ্বাসৰ বিষয়ে আলোচনা কৰি সজাগতা আনিব পৰা যায়। মহাবিদ্যালয়ৰ NSS গোটসমূহে ডাইনী সন্দেহৰ ভূক্তভোগী সমাজৰ মাজলৈ গৈ সজাগতা অনাত প্ৰভুত বৰঙণি আগবঢ়াব পাৰে।

### ৮.০৩ সামাজিক সংস্থাসমূহৰ ভূমিকা ঃ-

আমাৰ সমাজত ভালেমান সামাজিক সংস্থা আছে। এইবোৰৰ ভিতৰত পঞ্চায়ত, ৰাইজ গয়ৰহ, স্বেচ্ছাসেৱী সংস্থা, যুৱক সংঘ, মহিলা সমিতি আদি অন্যতম। এই সংস্থাসমূহে বিভিন্ন স্তৰত ডাইনী বিশ্বাস আঁতৰাবৰ বাবে বিভিন্ন সেৱা আগবঢ়োৱাৰ অৱকাস আছে।

**৮.০৪ কলা-সংস্কৃতিৰ ভূমিকা ঃ-**

সমাজত ডাইনী বিশ্বাস প্ৰশমনৰ ক্ষেত্ৰত কলা-সংস্কৃতিৰ সবল ভূমিকা আছে। Melville J. Herskovites য়ে তেওঁৰ Cultural Anthropology (p. 316) গ্ৰন্থত উল্লেখ কৰিছে যে সমাজ সংস্কাৰৰ কলা-সংস্কৃতিয়ে নিৰবচ্ছিন্ন ভাবে সেৱা আগবঢ়াই আহিছে। গতিকে ডাইনী সন্দেহজনক বিশ্বাসক প্ৰতিহত কৰিবলৈ কলা-সংস্কৃতিৰ অৰ্থবহ সহায় অৱশ্যে বাঞ্ছনীয়। এইক্ষেত্ৰত প্ৰথমে মনলৈ আহে সাংস্কৃতিক সঞ্চালকালয়ৰ নাট আৰু গীত মাত শাখাৰ কথা। এই শাখাটোৱে ডাইনী সজাগতামূলক কাৰ্যসূচী লৈ ভূক্তভোগী অঞ্চলবোৰত প্ৰদৰ্শন কৰিলে সজাগতা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

দ্বিতীয়তে, কথাছবি আৰু দূৰদৰ্শনৰ ধাৰাবাহিকবোৰৰ সহায়েৰেও ডাইনী বিশ্বাস সম্পৰ্কে সজাগতা আনিব পাৰি। তাৰ বাবে প্ৰযোজক পৰিচালকবোৰ আগবাঢ়ি আহিব লাগিব।

তৃতীয়তে, অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে গঢ় লৈ উঠা অপেছাদাৰী নাট্য দলবোৰেও ডাইনী সম্পৰ্কে সহজে সজাগতা বৃদ্ধিত অৰিহণা যোগাব পাৰে। কাৰণ এইবোৰ একো একোটা শক্তিশালী গণমাধ্যম।

চতুৰ্থতে, অসমত বহুলভাৱে প্ৰচলিত দুটা কলা মাধ্যম হ'ল ভ্ৰাম্যমান নাট্যদল আৰু যাত্ৰাভিনয় বা খোলাগান। এই দুটা কলা মাধ্যমে অসমৰ গ্ৰাম্যঞ্চলৰ লাখ লাখ দৰ্শকক মনোৰঞ্জনৰ খোৰাক যোগাই আহিছে। এই দুটা গণমাধ্যমক ডাইনী বিশ্বাসৰ বিৰুদ্ধে সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ আৰু তাৰপৰা প্ৰভুত সফল হোৱাৰ যথেষ্ট অৱকাস আছে। এই দলবোৰে ডাইনী বিশ্বাসক বিষয়বস্তু হিচাপে লৈ পূৰ্ণাংগ নাটক বা নাটিকা মঞ্চস্থ কৰিলে দৰ্শক ৰাইজ এই সম্পৰ্কে শিক্ষিত হ'ব। শংকৰদেৱে ভাওনাৰ জৰিয়তে যদি ধৰ্ম প্ৰচাৰ কৰিব পাৰে, ভ্ৰাম্যমান নাট্যদল আৰু যাত্ৰাভিনয়ৰ দলবোৰেও সমাজৰ পৰা এই কুপৰম্পৰা আঁতৰ কৰিবলৈ ফলপ্ৰসু নীতি গ্ৰহণ কৰা উচিত।

**৮.০৫ লোক পৰিবেশ্য কলাৰ ভূমিকা ঃ-**

সমাজত লোক পৰিবেশ্য কলাৰ প্ৰভাৱ অপৰিসীম। এইলোক পৰিবেশ্য কলাৰ সহায় লৈ সমাজত চলি থকা ডাইনী বিশ্বাস আঁতৰ কৰিবলৈ কাৰ্যসূচী যুগুতাই উলিয়াব পাৰি। লোক পৰিবেশ্য কলাৰ ভিতৰত পুতলা নাচ, ঢুলীয়া, ওজাপালি, নাগাৰা নাম, লোকগীত-মাত আদি অতি জনপ্ৰিয়। এইবোৰত

ডাইনী বিশ্বাসৰ বিৰুদ্ধে অনুষ্ঠান সংযোগ কৰি লোক সমাজত প্ৰদৰ্শন কৰিলে সজাগতা বৃদ্ধি পাব। সেইদৰে নানাধৰণৰ সাংস্কৃতিক অনুষ্ঠান বা বিহু অনুষ্ঠানৰ সহায়তো এনে সজাগতা অনাৰ প্ৰবল সম্ভাৱনা আছে। এনে পৰিবেশ্য কলাসমূহে ব্যাপক হাৰত জনসচেতনতা বৃদ্ধি কৰিব পাৰে।

**৯.০০ সামৰণি ঃ-**

সমাজ আৰু ব্যক্তিৰ জীৱন বিপন্ন কৰিব পৰা ডাইনীৰ লেখিয়া অন্ধবিশ্বাসৰসমূহ নাইকীয়া কৰিবলৈ সামাজিক সজাগতা বৃদ্ধি কৰিব লাগে। ছপা আৰু বৈদ্যুতিন মাধ্যমসমূহেও এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। দেশৰ সাংস্কৃতিক ক্ষেত্ৰখনো আগবাঢ়ি আহিব লাগে। অন্যথা ডাইনী আদিৰ নামত সমাজত বিভেদ, সন্দেহ আৰু অমানৱীয় কাৰ্য সংঘটিত হৈয়ে থাকিব।

*প্ৰসংগ গ্ৰন্থ আৰু তথ্য ঃ-*

১। সাহিত্য অকাডেমী ঃ বংগীয় শব্দকোষ, নতুন দিল্লী, ২০০১

২। Macmillan : Encarta Dictionary,1999

৩। বিভিন্ন আলোচনী, বাতৰি কাকত

৪। Internet ৰ বিভিন্ন Website.